ৰ বাণী

পিছল
ভবিৰে উজুটি
গুণে শ্ৰেয়।

— জেন

অসম আদিত্য

RNI REGN. No
epaper.a
Portal : ww
e-mail : asc

গোটেই বছৰ
থকাসকলে নি
বা মিঠাতেল
কিছুদিন

সংখ্যা ২৯৬ ■ ১৫ কাতি, ১৯৪৬ শক ■ শুকুৰবাৰ, ১ নৱেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Friday, November 1, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত

□ অসম আদিত্য, ডিব্ৰুগড় □ শুকুৰবাৰ,

১,০০১ গছি বস্তি প্ৰজ্বলনেৰে পোহৰৰ উৎসৱত পৰিৱেশ সুৰক্ষাৰ বাৰ্তা

কানৈত সেউজ দীপাৱলীৰ অনন্য নিদৰ্শন



ষ্টাফ ৰিপৰ্টাৰ, ৩১ অক্টোবৰ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ একমাত্ৰ ছাত্ৰাৱাস ঐতিহ্যমণ্ডিত ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসত ১,০০১ গছি বস্তি প্ৰজ্বলনেৰে আনন্দ, একতা, মৈত্ৰীৰ পৰিৱেশ বৰ্তাই ৰাখি 'সেউজ দীপাৱলী' উদ্‌যাপন কৰে। ছাত্ৰাৱাসৰ আৱাসীসকলে মহাবিদ্যালয়ৰ প্ৰাংগণত বৃক্ষৰোপণ কৰি দীপাৱলীৰ সময়ত পৰিৱেশ আৰু জনস্বাস্থ্য সুৰক্ষিত কৰাৰ লগতে পৰিৱেশ ধ্বংস হোৱাৰ পৰা আঁতৰি থকা, পুনৰ ব্যৱহাৰযোগ্য সামগ্ৰী ব্যৱহাৰ কৰি আৱৰ্জনা হ্ৰাস কৰা, প্লাষ্টিকৰ সাজ-সজ্জা আৰু পেকেজিং পৰিহাৰ কৰা, বায়ু, পানী আৰু শব্দ প্ৰদূষণ হ্ৰাস কৰি আনন্দ-উল্লাসেৰে পৰিৱেশ সুৰক্ষাৰ মাধ্যমেৰে দীপাৱলী উদ্‌যাপনৰ বাবে আহ্বান জনায়। উক্ত অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া উপস্থিত থাকি মুখ্য বস্তি প্ৰজ্বলন কৰে। উল্লেখ্য যে ছাত্ৰাৱাসৰ আৱাসীসকলৰ এনে ইতিবাচক কাৰ্যক অধ্যক্ষই আদৰণি জনাই ছে। উক্ত অনুষ্ঠানত ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ প্ৰিফেক্ট অমিত মাহাতু, কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতী, সাধাৰণ সম্পাদক চিন্ময় কলিতা, প্ৰাক্তন সাহিত্য আৰু আলোচনী সম্পাদক নয়নজ্যোতি কুৰ্মিকে আদি কৰি ছাত্ৰ একতা সভাৰ আন বিষয়ৱৰীয়া আৰু ছাত্ৰাৱাসৰ আৱাসীসকল উপস্থিত থাকে।

চাবুৱা ডায়েটত হাতৰ আখৰ লিখন কৰ্মশালা

প্ৰতিবেদক, চাবুৱা, ৩১ অক্টোবৰ ঃ চাবুৱাৰ বিশমাইলস্থিত ডিব্ৰুগড় জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত 'অসমীয়া হাতৰ আখৰ লিখন কৌশল'ৰ তিনিদিনীয়া এক প্ৰশিক্ষণ কৰ্মশালা সফলতাৰে সম্পন্ন হৈ যায়। ২৮ৰ পৰা ৩০ অক্টোবৰলৈ অনুষ্ঠিত এই কৰ্মশালাত ডিব্ৰুগড় জিলাৰ বৰৱৰুৱা, লাহোৱাল আৰু জয়পুৰ শিক্ষা খণ্ডৰ প্ৰাথমিক বিদ্যালয়ৰ বহুকেইগৰাকী শিক্ষকে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণত অংশগ্ৰহণকাৰী শিক্ষকসকলক অসমীয়া হাতৰ আখৰ লিখন কৌশলৰ সম্পৰ্কত প্ৰশিক্ষণ প্ৰদান কৰে। উক্ত প্ৰশিক্ষণটোত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে বৰৱৰুৱা শিক্ষা খণ্ডৰ শিক্ষক ত্ৰয়ে— বিজু শৰ্মা আৰু মৃদুল পাত্ৰৰ লগতে প্ৰশিক্ষণটিৰ সমন্বয়ক ডায়েটৰ জ্যেষ্ঠ প্ৰবক্তা ভূপেন কুমাৰ দাসে। উল্লেখ্য যে প্ৰতিষ্ঠানৰ অধ্যক্ষ অনুজ কুমাৰ ভট্টাচাৰ্যই এগছি বস্তি প্ৰজ্বলনেৰে মুকলি কৰা উক্ত প্ৰশিক্ষণ তথা কৰ্মশালাটি এখন সভাৰ জৰিয়তে সামৰণি পৰে।

আইএমএ হাউছত ব্যতিক্ৰমী ৰূপত দীপা

নগৰ প্ৰতিবেদক, ডিব্ৰুগড়, ৩১ অক্টোবৰ ঃ দীপাৱলী হিন্দু ধৰ্মৰ লোকসকলৰ এক অন্যতম প্ৰধান উৎসৱ। পোহৰৰ উৎসৱ দীপাৱলী উদ্‌যাপন কৰিলে ডিব্ৰুগড়ৰ আগশাৰীৰ দুটা অনুষ্ঠানে। 'মেক ডিব্ৰুগড় গ্ৰীন' শীৰ্ষক [illegible] দত্ত, দীপক বৰা, কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। IMA